RNI REGN. No.
epaper.
Portal : www
e-mail : aso

# অসম আদিত্য

২৭৪ ■ ২৪ আহিন, ১৯৪৭ শক ■ শনিবাৰ, ১১ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Saturday, October 11, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি


## ছাত্ৰ একতা সভাৰ পদক্ষেপ ঃ ৰিয়া মেছ, বিধান লাচিত ফুকন, বিৰাজ বল্লভ গগৈক জনাব সন্মান

# জুবিন গাৰ্গৰ নামত বঁটা প্ৰদান কৰিব কানৈ কলেজে



**ষ্টাফ ৰিপৰ্টাৰ, ১০ অক্টোবৰ ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ মাজত ৯ অক্টোবৰত হোৱা এক বৈঠকত মহাবিদ্যালয়ৰ নিয়মীয়া পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ এক বিশেষ অনুষ্ঠানত প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদানৰ বাবে এক সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি মহাবিদ্যালয়ৰ পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে- ৰিয়া মেছ (প্ৰথম সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ উৎকৃষ্টতা বঁটা', বিধান লাচিত ফুকন (দ্বিতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী প্ৰেৰণা বঁটা' আৰু বিৰাজ বল্লভ গগৈ (তৃতীয় সৰ্বাধিক)ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ প্ৰতিশ্ৰুতি বঁটা' প্ৰদানৰ বাবে মনোনীত কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই জনোৱা মতে এই বঁটাৰ জৰিয়তে প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ এক প্ৰয়াস কৰা হৈছে। আনহাতে, উক্ত সভাতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ স্বাৰ্থত মহাবিদ্যালয় চৌহদত জুবিন গাৰ্গ সংগীত উদ্যান, জুবিন গাৰ্গ সোঁৱৰণী সংগীত ষ্টুডিঅ', জুবিন গাৰ্গ সংগীত বঁটা, জুবিন গাৰ্গ সৃষ্টিশীল মহোৎসৱ, জুবিন গাৰ্গৰ গীতৰ সংৰক্ষণ, জুবিন গাৰ্গ গৱেষণা কেন্দ্ৰ, জুবিন গাৰ্গৰ স্মৃতিত বৃক্ষৰোপণ কাৰ্যসূচী, জুবিন গাৰ্গৰ সমগ্ৰ জীৱনক সামৰি তথ্য চিত্ৰ নিৰ্মাণ, জুবিন গাৰ্গ সোঁৱৰণী বঁটা, জুবিন গাৰ্গ সৃষ্টিশীলতা মঞ্চ, জুবিন গাৰ্গ ডিজিটেল আৰ্কাইভ, জুবিন কণ্ঠ শীৰ্ষক বাৰ্ষিক গীতৰ প্ৰতিযোগিতা, জুবিন গাৰ্গৰ স্মৃতিত নাট্য উৎসৱ, জুবিন গাৰ্গ শান্তি আৰু সম্প্ৰীতি ক্লাব, মহাবিদ্যালয় চৌহদৰ অভ্যন্তৰীণ পথৰ নাম জুবিন গাৰ্গৰ নামত মায়াবিনী পথৰূপে নমকৰণ, জুবিন গাৰ্গ ম'বাইল এপ, জুবিন গাৰ্গ স্মৃতি মিউজিয়াম আদি কামসমূহ পৰ্যায়ক্ৰমে কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ছাত্ৰ একতা সভাৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে পৰ্যায়ক্ৰমে কৰাৰ কথা অৱগত কৰে।